**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং - ১৪০**

**উত্তৰ দানৰ তাৰিখ-১৪/৭/২০২৬**

**বিষয় - ঐতিহাসিক বৰপেটা সমষ্টিক পৰ্য্যটন নগৰী হিচাপে গঢ়ি তোলা সন্দৰ্ভত।**

**শ্ৰী দীপক কুমাৰ দাস, বিধায়ক**

**::প্ৰশ্ন::**

**माननीय় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) সত্ৰ-সংস্কৃতি, আধ্যাত্মিক ঐতিহ্য আৰু সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পই বৰপেটাক এক স্বকীয় পৰিচয় প্ৰদান কৰিছে। গতিকে বৰপেটা সমষ্টিক পৰ্য্যটন নগৰী হিচাপে বিকশিত কৰাৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি? জনাব।

(খ) বৰপেটা সমষ্টিৰ অন্তৰ্গত সত্ৰ নগৰী বৰপেটা কাঁহ-পিতল নগৰী সৰ্থেবাৰী আৰু ঐতিহাসিক বাণিজ্যিক কেন্দ্ৰৰ সংযোগস্থলী বহৰি আৰু বৰপেটা জিলাৰ ঐতিহাসিক স্থান সমূহক সংলগ্ন কৰি ইতিহাস প্ৰসিদ্ধ নগৰ হিচাপে ঘোষণা কৰাৰ কিবা পৰিকল্পনা আছে নেকি ? জনাব।

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

**(ক)** বৰপেটাৰ সত্ৰ–সংস্কৃতি, আধ্যাত্মিক ঐতিহ্য আৰু সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পই বৰপেটাৰ পৰ্য্যটনৰ সামগ্ৰিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।এই স্বকীয় আকৰ্ষণৰ সমূহৰ প্ৰচাৰৰ ব্যৱস্থা বিভাগে সময়ে সময়ে কৰি আহিছে। বহিৰাজ্য আৰু বহি:ৰাষ্ট্ৰৰ পৰ্য্যটকৰ মাজত এই স্বকীয় আকৰ্ষণ সমূহে যাতে অধিক প্ৰচাৰ লাভ কৰে তাৰ বাবে পৰ্য্যটন বিভাগে বিভিন্ন Travel & Trade Fair , Road Shows আৰু Travel and Tour Operators Meet ৰ জৰিয়তে ব্যৱস্থা লৈ আহিছে।

**(খ)** বৰপেটা সমষ্টিৰ অন্তৰ্গত সত্ৰ নগৰী, বৰপেটাৰ কাঁহ-পিতল নগৰী সৰ্থেবাৰী আৰু ঐতিহাসিক বাণিজ্যিক কেন্দ্ৰৰ সংযোগস্থলী বহৰী আৰু বৰপেটা জিলাৰ ঐতিহাসিক স্থানসমূহে অসম চৰকাৰৰ পৰ্য্যটন বিভাগৰ মানচিত্ৰত স্থান লাভ কৰিছে আৰু উল্লেখিত ঐতিহাসিক স্থান সমূহক প্ৰচাৰৰ উদ্দ্যেশ্যে সন্নিৱিষ্ট কৰা হৈছে।

****************